# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-12-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - -**

১।	কেন্দ্ৰীয় চৰকাৰৰ প্ৰধানমন্ত্ৰীৰ উন্নয়নমূলক উদ্যোগ আঁচনিৰ অধীনত অসমৰ বাবে সাতটা প্ৰকল্পত অনুমোদন।

২।	গুৱাহাটীৰ পৰা ভূটানৰ গেলেপুলৈ ৰেলপথ নিৰ্মাণৰ অভিলাষী প্ৰকল্প ৰূপায়ণৰ লক্ষ্যৰে ১৭ ডিচেম্বৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ভূটান ভ্ৰমণ। দেশখনৰ ৰাষ্ট্ৰীয় দিৱসৰ কাৰ্যসূচীত বিশেষ অতিথি হিচাপে মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ।

৩।	যোৰহাটত আজি বিকাশৰ ১২ দিনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীৰ কেইবাটাও আঁচনিৰ সাহায্য বিতৰণ।

৪।	ভাৰতীয় সংবিধানৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে লোকসভাত সংবিধান সন্দৰ্ভত আলোচনা।

**আৰু**

৫।	বিশ্ব দবা ইতিহাসৰ সৰ্বকনিষ্ঠ দবা চেম্পিয়ন হিচাপে ভাৰতীয় গ্ৰেণ্ডমাষ্টাৰ ডম্মাৰাজু গুকেশৰ অভিলেখ স্থাপন।

০০০০০

উত্তৰ পূৰ্বাঞ্চলৰ আন্তঃগাঁথনিৰ উন্নয়নৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰীৰ উন্নয়নমূলক উদ্যোগ আঁচনিৰ অধীনত অসমকে ধৰি উত্তৰ পূবৰ ৰাজ্যসমূহৰ বাবে মুঠ ৩৫টা প্ৰকল্পত অনুমোদন জনাইছে। অনুমোদিত ৩৫টা প্ৰকল্পৰ ভিতৰত অসমত সাতটা প্ৰকল্প ৰূপায়ণ হ'ব। এই প্ৰকল্পসমূহৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৫৪০ কোটি টকা ধাৰ্য কৰিছে। লোকসভাত কালি উত্তৰ-পূব উন্নয়ন দপ্তৰৰ ৰাজ্যমন্ত্ৰী সুকান্ত মজুমদাৰে এই কথা প্ৰকাশ কৰে। অসমত ৰূপায়ণ হ'বলগীয়া সাতটা প্ৰকল্পৰ ভিতৰত কামৰূপ জিলাত উৎকৰ্ষ কেন্দ্ৰ হিচাপে ২০খন বিদ্যালয় নিৰ্মাণ কৰা হ'ব। তদুপৰি, শিৱসাগৰ জিলাত ১০০খন বিছনাযুক্ত চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ, গুৱাহাটীৰ গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ দুই লেনযুক্ত পথটো চাৰিলেনযুক্ত পথলৈ উন্নীতকৰণ, গুৱাহাটীৰ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ উদ্যোগত শিশু আৰু প্ৰাপ্তবয়স্কৰ তেজৰ কৰ্কট ৰোগৰ চিকিৎসাৰ এটা কেন্দ্ৰৰ লগতে এটা দক্ষতা বিকাশ কেন্দ্ৰ স্থাপন, কামাখ্যা কৰিড'ৰ নিৰ্মাণ আৰু গুৱাহাটীত ৰাজ্য চৰকাৰৰ সহযোগত এটা ডিজিটেল মুদ্ৰণ কেন্দ্ৰ স্থাপনৰ প্ৰকল্পও আছে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অহা ১৭ ডিচেম্বৰত ভাৰতৰ প্ৰতিবেশী দেশ ভূটানলৈ যাব। ড০ শৰ্মাই ভূটানৰ ৰাষ্ট্ৰীয় দিৱসৰ কাৰ্যসূচীত বিশেষ অতিথি হিচাপে উপস্থিত থাকিব। মুখ্যমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণ কালত গুৱাহাটীৰ পৰা ভূটানৰ গেলেপুলৈকে ৰে'লপথ নিৰ্মাণৰ অভিলাষী প্ৰস্তাৱিত আঁচনিখন ৰূপায়ণৰ ৰূপৰেখা তৈয়াৰ কৰাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভূটান ভ্ৰমণ সন্দৰ্ভত সামাজিক মাধ্যমত এই কথা প্ৰকাশ কৰে। ইয়াৰ লগতে মুখ্যমন্ত্ৰীৰ ভ্ৰমণ কালত ভূটানৰ পাদদেশত অসম সীমান্তৱৰ্ত্তী জিলাসমূহলৈ জলসিঞ্চনৰ আঁচনি ৰূপায়ণ কৰা সন্দৰ্ভতো দুয়ো দেশৰ মাজত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। ভূটানৰ জলশক্তিক অসমৰ সীমামূৰীয়া জিলাসমূহত ব্যৱহাৰ কৰি বিদ্যুতৰ নাটনি কেনেদৰে দূৰ কৰা হ'ব সেই সন্দৰ্ভতো মুখ্যমন্ত্ৰী ড০ শৰ্মাই ভূটানৰ সৈতে আলোচনা কৰিব।

০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আজি যোৰহাট জিলাৰ বিকাশৰ ১২ দিন কাৰ্যসূচীত উপস্থিত থাকিব। যোৰহাট ষ্টেডিয়ামত দিনৰ ১২ বজাত হ'বলগীয়া অনুষ্ঠানত ডঃ শৰ্মাই অসম মাইক্ৰ' ফাইনেন্স উদগনি আৰু সকাহ আঁচনি ২০২১ৰ অধীনত তৃতীয়বৰ্গৰ মুঠ ১২ হাজাৰ ৬৪৭ গৰাকী ঋণীলৈ দ্বিতীয় পৰ্যায়ত ন ডিউজ চাৰ্টিফিকেট বিতৰণ কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংশাধন উদ্যোগৰ আনুষ্ঠানিকীকৰণ- পি এম এফ এম ই ছীড কেপিটেল আঁচনিৰ অধীনত মূলধনী বিনিয়োগৰ ওপৰত ৩৬৬ গৰাকী ব্যক্তিলৈ ৰাজসাহাৰ্য বিতৰণ কৰিব। একেটা অনুষ্ঠানতে দুৰ্যোগত ক্ষতিগ্ৰস্ত ৫টা পৰিয়াললৈ পোনপটীয়াকৈ আৰ্থিক সাহাৰ্য প্ৰদান কৰা হ'ব।

ইপিনে, কামৰূপ জিলাৰ সংহত জিলা কাৰ্যালয় চৌহদত দিনৰ ১১ বজাত হ'বলগীয়া **বিকাশৰ ১২ দিন** কাৰ্যসূচীত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী উপস্থিত থাকিব। একেদৰে মৰিগাঁও জিলাৰ তৰুণ ৰাম ফুকন খেলপথাৰত পীযুষ হাজৰিকা, ধেমাজি জিলাৰ কাছাৰী ময়দানত ডাঃ ৰণোজ পেগু, কোকৰাঝাৰত বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদৰ গ্ৰীণ ফিল্ডত প্ৰমোদ বড়ো, শ্ৰীভূমি জিলাৰ নীলমণি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত কৃষ্ণেন্দু পাল, ডিমা হাচাও জিলাৰ হাফলঙৰ লাল ফিল্ডত দেৱলাল গাৰ্লোচা আৰু কাচাৰ জিলাৰ গান্ধী মেলা ফিল্ডত কৌশিক ৰায় **বিকাশৰ ১২ দিন** অনুষ্ঠানত উপস্থিত থাকিব।

০০০০০

যোৰহাট-জাঁজী ৰাষ্ট্ৰীয় ঘাইপথছোৱা পুনৰ নিৰ্মাণৰ কাম অহা বছৰৰ ফেব্ৰুৱাৰীত সম্পূৰ্ণ হ'ব বুলি কালি লোকসভাত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে। লোকসভাৰ প্ৰশ্নোত্তৰ কালত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে এই পথছোৱা দীৰ্ঘদিন ধৰি ব্যৱহাৰৰ অনুপযোগী হৈ পৰাৰ পৰিপ্ৰেক্ষিতত বিভিন দল-সংগঠনকে ধৰি ব্যক্তি বিশেষে ওজৰ-আপত্তি দাখিল কৰি আহিছিল। শ্ৰীগাডকাৰীয়ে সমগ্ৰ দেশতে দুৰ্ঘটনাগ্ৰস্ত লোকৰ বাবে শীঘ্ৰে নগদবিহীন চিকিৎসা আঁচনি আৰম্ভ হ'ব বুলি উল্লেখ কৰে। তেওঁ কয়, যে ছখন ৰাজ্যত বলৱৎ হৈ থকা এই আঁচনিখন শীঘ্ৰে উত্তৰ প্ৰদেশ আৰু পিছলৈ দেশৰ বাকী অংশতো প্ৰৱৰ্তন কৰা হ'ব।

০০০০০

লোকসভাত আজি ভাৰতীয় সংবিধান গ্ৰহণৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে দুদিনীয়া আলোচনা আৰম্ভ হ'ব। সদনৰ প্ৰশ্নোত্তৰ কালৰ পাছত এই আলোচনা আৰম্ভ হ'ব। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আলোচনাৰ পাতনি মেলিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ সংবিধান সম্পৰ্কীয়  বিভিন্ন প্ৰশ্নৰ উত্তৰ দিব বুলি আশা কৰা হৈছে। এই দুদিনীয়া আলোচনাৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি তেওঁৰ কাৰ্যালয়ত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিৰ সভাপতি জে পি নাড্ডাকে ধৰি অন্যান্য মন্ত্ৰীসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বিৰোধী পক্ষৰ সৈতে কৰা চুক্তি অনুসৰি বিজেপি শাসিত এন ডি এ চৰকাৰে লোকসভাত আজি আৰু কাইলৈ আৰু ৰাজ্যসভাত ১৬ আৰু ১৭ ডিচেম্বৰত সংবিধান সন্দৰ্ভত আলোচনাৰ বাবে সন্মতি প্ৰকাশ কৰে।

০০০০০

শংকৰদেৱ শিক্ষা আৰু গৱেষণা ন্যাসৰ উদ্যোগত আজিৰে পৰা ১৫ ডিচেম্বৰলৈ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত প্ৰাগজ্যোতিষপুৰ সাহিত্য উৎসৱৰ আয়োজন কৰা হৈছে। এই সাহিত্য উৎসৱত আলোচনা চক্ৰ, লেখক সাহিত্যিকৰ বাৰ্তালাপ, কৰ্মশালা, প্ৰদৰ্শনী, বহুভাষিক কবি সন্মিলনকে ধৰি সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব। অনুষ্ঠানত অসম মহিলা বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, বিশিষ্ট সাহিত্যিক ড° মালিনী গোস্বামী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। লেখক, গৱেষক অৰূপ কুমাৰ দত্তৰ সঞ্চালনাত অসম বৈচিত্ৰ্যময় সমাজৰ ব্ৰহ্মপুত্ৰ নদীৰ ভূমিকা শীৰ্ষক এটি কথোপকথন অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০

তিনিচুকীয়া জিলাৰ পেঙেৰীৰ তৰানি সংৰক্ষিত বনাঞ্চলত বন বিভাগ আৰু আৰক্ষীয়ে যুটীয়া অভিযান চলাই কালি কাঠৰ কুণ্ডা ভৰ্তি ট্ৰাকসহ এখন এক্সেভেটৰ জব্দ কৰে। আৰক্ষীয়ে কাঠৰ চোৰাং সৰবৰাহ সংক্ৰান্তত কাকপথাৰৰ মৃদুল বৰা নামৰ এজন লোকক আটক কৰে। তৰানি সংৰক্ষিত বনাঞ্চলৰ পৰা এটা চক্ৰই চোৰাংভাৱে বিভিন্ন মূল্যৱান গছ কাটি সৰবৰাহ কৰাৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে দীৰ্ঘদিন ধৰি এই অভিযান অব্যাহত ৰাখিছিল।

০০০০০

কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে অসমৰ ১২ হস্তীদণ্ডিৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক নিৰ্দেশ দিছে। এই সম্পৰ্কে **দৈনিক অসম** কাকতে এটি গুৰুত্বপূৰ্ণ বাতৰি প্ৰকাশ কৰিছে।

বিগত ১০ বছৰত অসমত পথ দুৰ্ঘটনাত ২৭ হাজাৰ ৫৪৮ জনৰ মৃত্যু। লোকসভাত কেন্দ্ৰীয় পথ পৰিবহণ ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীৰ উদ্বেগজনক তথ্য। এই সম্পৰ্কে **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মাত্ৰ ১৮ বছৰ বয়সতে বিশ্ব চেম্পিয়ন হৈ ছিংগাপুৰত ইতিহাস গঢ়িলে ভাৰতৰ দম্মাৰাজু গুকেশে। ১১ বছৰৰ মূৰত দ্বিতীয়জন ভাৰতীৰ মূৰত জিলিকিল দবাৰ বিশ্ব চেম্পিয়নৰ খিতাপ। এই সম্পৰ্কে **অসমীয়া প্ৰতিদিন** কাকতে এটা বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

স্মাৰ্ট মিটাৰ বিতৰ্কৰ মাজতে লোকসভাত উন্মোচিত তথ্য অনুসৰি দেশৰ ভিতৰতে সৰ্বাধিক স্মাৰ্ট মিটাৰ আছে অসমত। এই সন্দৰ্ভত এটা বাতৰি **আমাৰ অসম** কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

ৰাজ্যখনৰ ৭ খন মহাবিদ্যালয়ক বিশ্ববিদ্যালয়ৰ স্বীকৃতি প্ৰদানৰ এবছৰৰ পিছতো নিযুক্তি দিয়া নহ'ল উপাচাৰ্য। ৰাজ্যৰ উচ্চ শিক্ষা বিভাগৰ এই কাৰ্যৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি **দৈনিক জনমভূমি** কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গুৱাহাটীত বোমাতংক, চৌদিশে নিছিদ্ৰ তালাচী। গুৱাহাটী বিশ্ববিদ্যালয়, ৰে'লৱে ষ্টেচনত বোমা সংস্থাপনৰ ভুৱা বাতৰিৰ ফলত জনতাৰ হাঁহাকাৰ। এই সম্পৰ্কে **অসমীয়া খবৰ** কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এক দেশ, এক নিৰ্বাচন বিধেয়কত কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন। অহা সপ্তাহত বিধেয়ক উত্থাপন হ'ব লোকসভাত। এই বিধেয়ক আইনত পৰিণত হ'লে দেশত ২০২৯ চনত বিধানসভা আৰু লোকসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত হ'ব। এই সম্পৰ্কে **দি আছাম ট্ৰিবিউন** কাকতে এটা গুৰুত্বপূৰ্ণ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অহা ১৫ ডিচেম্বৰ পৰ্যন্ত অসমৰ আকাশ ঘন কুঁৱলীয়ে আঁৱৰি ৰাখিব বুলি ভাৰতীয়  বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা আগজানীৰ বাতৰি **দ্যা চেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – পি এম ডিভাইন আঁচনিত অসমৰ ৭টা প্ৰকল্পত কেন্দ্ৰৰ অনুমোদন, ফেব্ৰুৱাৰীৰ ভিতৰত সম্পূৰ্ণ হ'ব যোৰহাট-শিৱসাগৰ ফ'ৰলেন, কা আন্দোলনৰ ৫ শ্বহীদলৈ ৰাজ্যজুৰি আছুৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, নিয়াৰ অভিযানত গোৱালপাৰাত ৪ জনক আটক ইত্যাদি।

০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ইয়াৰ বাতৰি আৰু আন অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলৰ পৰা পোনপটীয়াকৈ মতামত, অভিযোগ আৰু পৰামৰ্শ লোৱাৰ ব্যৱস্থা কৰিছে। ইয়াৰ বাবে ৯৮৬৪০-৫৫৫৬৬ নম্বৰৰ Whatsapp যোগে মতামত গ্ৰহণৰ ব্যৱস্থা মুকলি কৰা হৈছে। শ্ৰোতাসকলৰ পৰা লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ আধাৰত প্ৰতিমাহে একোটাকৈ অনুষ্ঠান প্ৰচাৰৰো দিহা কৰা হৈছে। কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ **দৃষ্টিপাত** অনুষ্ঠানত ইয়াৰ প্ৰথম খণ্ড প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত অভিমত আৰু প্ৰশ্ন উত্থাপন কৰিব পাৰিব।

শ্ৰোতাসকলে আমাৰ ফেচবুক পেজ **এয়াৰ নিউজ গুৱাহাটী** আৰু **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইচ ৱাই**ত কমেণ্ট কৰিও মতামত আৰু প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

০০০০০

ভাৰতীয় গ্ৰেণ্ডমাষ্টাৰ ডম্মাৰাজু গুকেশ বিশ্ব দবা ইতিহাসৰ সৰ্বকণিষ্ঠ দবা চেম্পিয়ন হিচাপে পৰিগণিত হৈছে। ছিংগাপুৰত অনুষ্ঠিত অষ্টাদশ এফ আই ডি ই বিশ্ব দবা চেম্পিয়নশ্বিপত চীনৰ ডিং লিৰেণক পৰাস্ত কৰি গুকেশে এই কৃতিত্ব অৰ্জন কৰে। খেলখন প্ৰায় ৫ ঘণ্টা জুৰি অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনত ভাৰতীয় খেলুৱৈগৰাকীয়ে মুঠ ৭ দশমিক ৫ পইণ্ট অৰ্জন কৰাৰ বিপৰীতে প্ৰতিদ্বন্দ্বী খেলুৱৈগৰাকীয়ে ৬ দশমিক ৫ পইণ্টহে লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ পূৰ্বে সৰ্বকণিষ্ঠ হিচাপে এই খিতাপ কৰাৰ অভিলেখ গেৰি কাছপাৰ'ভৰ নামত আছিল। তেওঁ ২২ বছৰ বয়সত এই কৃতিত্ব অৰ্জন কৰিছিল। গুকেশ হ'ল ভাৰতৰ দ্বিতীয় গৰাকী দবা বিশ্ব চেম্পিয়ন। গুকেশৰ পূৰ্বে বিশ্বনাথন আনন্দে চাৰিবাৰকৈ এই খিতাপ দখল কৰিছিল।

খেলুৱৈগৰাকীক এই কৃতিত্বত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে খেলুৱৈগৰাকীৰ এই বিজয় দবাৰ জগতত ভাৰতৰ প্ৰভূত্ব প্ৰতিফলিত কৰিছে। সমগ্ৰ দেশক গৌৰৱান্বিত কৰি তোলাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে গুকেশৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰে।

ইপিনে, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এই কৃতিত্বত দবাৰ জগতত মাইলৰ খুঁটি হিচাপে অভিহত কৰে আৰু এই বিজয়ক সমগ্ৰ দেশৰ বাবে গৌৰৱৰ বিষয় বুলি উল্লেখ কৰে।

একেদৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে খেলুৱৈগৰাকীৰ এই বিজয়ে দবাৰ ইতিহাসত নিজৰ নাম সন্নিৱিষ্ট কৰাই নহয় বৰং লাখ লাখ ভাৰতীয় যুৱক-যুৱতীক ডাঙৰ সপোন দেখিবলৈ আৰু পাৰদৰ্শিতা অৰ্জনৰ বাবে অহোপুৰুষাৰ্থ কৰিবলৈ অনুপ্ৰেৰণা যোগাব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো খেলুৱৈগৰাকীক শুভেচ্ছা জ্ঞাপন কৰে। ড° শৰ্মাই এই কৃতিত্বই বিশ্বজুৰি ভাৰতীয় দবাৰ স্থান উন্নীত কৰাৰ লগতে যুৱক-যুৱতীসকলক উচ্চাকাংক্ষী হোৱাৰ ক্ষেত্ৰত অনুপ্ৰেৰণা যোগাব বুলি সামাজিক মাধ্যমৰ এটা পোষ্টত উল্লেখ কৰে।

০০০০০

ভাৰতৰ তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটো আজি চীনৰ হাংঝৌত অনুষ্ঠিত বি ডব্লিউ এফ ৱৰ্ল্ড টুৰ ফাইনেলছ বেডমিণ্টন প্ৰতিযোগিতাত মহিলাৰ ডাবলছৰ গ্ৰুপ পৰ্যায়ৰ তৃতীয়খন খেলত জাপানৰ নামি মাটছুয়ামা আৰু ছিহাৰু ছিদাৰ যুটীটোৰ মুখামুখি হ'ব। ভাৰতীয় যুটীটোৱে কালি গ্ৰুপ পৰ্যায়ৰ নিজৰ দ্বিতীয়খন খেলত মালয়েছিয়াৰ পিয়াৰ্লি টান আৰু থিনাহ মুৰালীথৰণৰ যুটীটোক ২১-১৯, ২১-১৯ গেমত পৰাস্ত কৰে।

০০০০০

ভাৰতে যোৱানিশা ওমানৰ মাস্কাটত অনুষ্ঠিত মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ পুল-এৰ নিজৰ চতুৰ্থখন খেলত থাইলেণ্ডক ৯-০ গ'লত পৰাস্ত কৰে। এই জয়ৰ সুবাদত ভাৰতে প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰাৰ লগতে অহা বছৰ ছিলিত হ'বলগীয়া এফ আই এইচ জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাত স্থান নিশ্চিত কৰে।

ভাৰতৰ হৈ খেলখনত সহ অধিনায়ক সাক্ষী ৰাণাই প্ৰথমটো গ'ল দিয়ে। খেলখনত ভাৰতৰ দিপিকাই চাৰিটা আৰু কণিকা ছিৱাছে তিনিটা গ'ল দিয়ে। ভাৰত প্ৰতিযোগিতাৰ ছেমি ফাইনেলত কাইলৈ জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। সবিশেষ জানিবলৈ আৰু আবেদন পত্ৰ ডাউনলোড কৰিবলৈ প্ৰাৰ্থীয়ে www.newsonair.gov.in ত লগ ইন কৰিব পাৰে। অহা ১০ জানুৱাৰী ২০২৫ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ The Head of Office, Akashvani, Guwahati, Guwahati-781003 লৈ পঠাব লাগিব। প্ৰাৰ্থীয়ে নিজ হাতেও আবেদন পত্ৰ জমা দিব পাৰে।

০০০০০

বতৰৰ বতৰা - বতৰৰ আগলি বতৰা অনুসৰি গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ অহা ২৪ ঘণ্টাৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব। ৰাজ্যত পুৱা আৰু নিশাৰ ভাগত কুঁৱলী পৰাৰ সম্ভাৱনা আছে। কালি গুৱাহাটীত সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৪ ডিগ্ৰী চেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১১ ডিগ্ৰী চেলছিয়াছ। আজিৰ দিনটোত গুৱাহাটীৰ সৰ্বোচ্চ আৰু সৰ্বনিম্ন তাপমাত্ৰা ক্ৰমে ২৫ আৰু ১২ ডিগ্ৰী চেলছিয়াছ হ'ব বুলি অনুমান কৰা হৈছে।

০০০০০

সমাপ্ত